অসম চৰকাৰ

# উপায়ুক্তৰ কাৰ্য্যালয়,

ওদালগুৰি,

অসম।

## ওদালগুৰিত সংঘৰ্ষত আহতসকললৈ আৰ্থিক সাহায্য

**ওদালগুৰি ১৯ এপ্ৰিল, ২০১২।** যোৱা ১৯ এপ্ৰিল তাৰিখে ওদালগুৰি জিলাৰ উপায়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত জিলা উপায়ুক্ত শ্ৰী থানেশ্বৰ মালাকাৰৰ সভাপতিত্বত অনুষ্ঠিত অনুদান বিতৰণ সভাত জিলাখনৰ ২০০৮ বৰ্ষত সংঘটিত গোষ্ঠিগত সংঘৰ্ষত আহত ৫৪ জন লোকৰ মাজত ৬ লাখ ৬০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অনুদানসমূহ আনুষ্ঠানিক ভাৱে বিতৰণ কৰে অসম চৰকাৰৰ সংসদীয় সচিব তথা মাজবাট বিধানসভাৰ বিধায়ক শ্ৰীৰক্ষেশ্বৰ ব্ৰহ্মাই। মুখ্য অতিথিৰ ভাষণত শ্ৰীব্ৰহ্মাই খতিগ্ৰস্ত পৰিয়ালসমূহক চৰকাৰে যথাসম্ভৱ সাহায্য প্ৰদান কৰি আহিছে আৰু ভৱিষ্যতেও বাকী থকা খতিগ্ৰস্ত পৰিয়ালসমূহকো সাহায্য প্ৰদান কৰিব বুলি জানিবলৈ দিয়ে। অনুদান বিতৰণী সভাৰ সভাপতি তথা জিলা উপায়ুক্ত শ্ৰীথানেশ্বৰ মালাকাৰে জিলাখনৰ সমূহ জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলো লোককে শান্তি-শৃংখলা বজাই ৰাখিবলৈ লগতে এক সৌহাদ্যপূৰ্ণ পৰিস্থিতিৰ মাজেৰে সমাজত আগুৱাই যাবলৈ আহ্বান জনায়। সভাত জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালক শ্ৰী মাধৱ প্ৰসাদ শৰ্মা, সদৰ মহকুমাধিপতি শ্ৰী মধুসুদন নাথ, ছয়গৱাকী চৰকাৰী গাওঁবুঢ়াৰ লগতে আমচুৰ সভাপতি মঃ জাকিৰ হুচেইন চৌধুৰী প্ৰমুখ্যে বিভিন্ন গন্যমান্য ব্যক্তি উপস্থিত থাকে।

স্বাক্ষৰ

জিলা তথ্য আৰু জনসংযোগ বিষয়া,

ওদালগুৰি